এণ্ডমেট্ৰিয়চিছ ৰোগৰ প্ৰাদুৰ্ভাৱ, চিকিৎসা আৰু নিয়ন্ত্ৰণ সম্পৰ্কে আনুবংশিক অধ্যয়ণ আই.চি.এম.আৰ.-এন.আই.আৰ.আৰ.এইচ্, মুম্বাই, ভাৰত।

ডঃ মিতা মাহালী
আই.চি.এম.আৰ-এন.আই.আৰ.আৰ.এইচ্
মুম্বাই, ভাৰত

প্ৰফেচ'ৰ ফ্ৰেন্ট মণ্টগমেৰী
ইনষ্টিটিউট অফ মলিকুলাৰ বায়োলজি, চেণ্টাৰ ফ'ৰ হেল্থাৰ এপিজেনেটিকছ
কুইনচলেণ্ড ইউনিভাৰ্চিটি
অষ্ট্ৰেলিয়া

ডঃ ৰাজেশ পণ্ডিত
চেণ্টাৰ ফ'ৰ হেল্থাৰ এপিজেনেটিকছ
টাটা মেমৰিয়েল চেণ্টাৰ
মুম্বাই, ভাৰত

প্ৰফেচ'ৰ গীতা মিশ্ৰ
কুইনচলেণ্ড ইউনিভাৰ্চিটি
অষ্ট্ৰেলিয়া

ডাঃ ৰাহুল গাজভিয়ে
বিজ্ঞানী, ৰেলকাম ট্ৰাষ্ট ডি.বি.টি ইণ্ডিয়া এলায়েন্স
ক্লিনিকেল এণ্ড পাব্লিক হেলথ্ ইণ্টাৰমেডিয়েট ফেল'
আই.চি.এম.আৰ.-এন.আই.আৰ.আৰ.এইচ্,
মুম্বাই ভাৰত

ডাঃ প্ৰথমেশ দাস মহাপাত্ৰ
স্পেশ্যেল্টি ক্লিনিক এণ্ড প্ৰথমণি ৰিচাৰ্চ ইনচটিটিউট
চেইনশিলেল চাৰ্ভাৰ্নি, কলকতা
চেষ্ট হেলেন

ডাঃ নীতা বাৰ্বটি
সঙ্গীনী এণ্ডক্ৰিন চেণ্টাৰ
বান্দিৰভাণী, মুম্বাই, মহাৰাষ্ট্ৰ

ডাঃ প্ৰণয় ফুকন
স্ত্ৰী আৰু প্ৰসূতি ৰোগ বিভাগ
অসম চিকিৎসা মহাবিদ্যালয়
ডিব্ৰুগড়, অসম

ডাঃ কেডাৰ পাড়ুটে
ডাঃ বেলাৰু মেটাৰনিটি, ইনফাৰটিলিটি এণ্ড চাৰ্জিকেল হস্পিতেল, এণ্ডক্ৰপি এণ্ড আই.ভি.এফ.চেণ্টাৰ, পনৃজি, গোৱা

ডাঃ নিনীতা দাস
স্ত্ৰী আৰু প্ৰসূতি ৰোগ বিভাগ
কিং জৰ্জ মেডিকেল ইউনিভাৰ্চিটি
লক্ষ্ণৌ, উত্তৰ প্ৰদেশ

ডাঃ মুৰলিধৰ ভি. পাই
স্ত্ৰী আৰু প্ৰসূতি ৰোগ বিভাগ
কস্তুৰীবাই মেডিকেল কলেজ
মণিপাল, কৰ্ণাটক

ডাঃ শশ্যাংক শেখৰ
স্ত্ৰী আৰু প্ৰসূতি ৰোগ বিভাগ
এইমচ্, যোধপুৰ, ৰাজস্থান

ডাঃ বিমল জন
মিনিমেলি ইনভেচিভ ৰাজাৰী ইউনিট
ক্লিভেন্ড হস্পিতেল
ক্লিভেণ্ডাম, কেৰেলা

ডাঃ কেতকী কুলকাৰ্ণি
নাওপ্ৰজো ৰাডিয়া মেটাৰনিটি হস্পিতেল
পাৰেল, মুম্বাই, মহাৰাষ্ট্ৰ

ডাঃ অনিল ছমনে
স্ত্ৰী আৰু প্ৰসূতি ৰোগ বিভাগ
গভাৰমেণ্ট মেডিকেল কলেজ
নাগপুৰ, মহাৰাষ্ট্ৰ

ডাঃ নাগেন্দ্ৰ চাৰলেচ পাণ্ডে
ৰবদি হস্পিতেল ফৰ ৱমেন
ৰবদি, মহাৰাষ্ট্ৰ

ডাঃ নিৰজকুমাৰ বাগৰে
স্ত্ৰী আৰু প্ৰসূতি ৰোগ বিভাগ
এইমচ্, ৰায়পুৰ, ছত্ৰিশগড়

ৰাষ্ট্ৰীয় এণ্ডমেট্ৰিয়চিছ চিকিৎসা সম্পৰ্কীয় প্ৰণালী বদ্ধ তথ্য সমষ্টি
ৰাষ্ট্ৰীয় এণ্ডমেট্ৰিয়চিছ জিন সম্পৰ্কীয় প্ৰণালী বদ্ধ তথ্য সমষ্টি
ৰাষ্ট্ৰীয় এণ্ডমেট্ৰিয়চিছ বায়ৰিপজিটৰী সম্পৰ্কীয় প্ৰণালী বদ্ধ তথ্য সমষ্টি

সূচী ঃ ১ চিকিৎসকক সাক্ষাৎ কৰক

যদি আপোনাৰ শৰীৰত এণ্ডমেট্ৰিয়চিছৰ কোনো লক্ষণ দেখা দিছে, তেন্তে স্ত্ৰীৰোগ বিশেষজ্ঞৰ সৈতে আলোচনা কৰি পৰামৰ্শ গ্ৰহণ কৰক।

বিভিন্ন পৰীক্ষাৰ অন্তত এণ্ডমেট্ৰিয়চিছ ৰোগৰ অৱস্থিতি সন্দেহ কৰিলে, চিকিৎসকে লেপৰস্কপিৰ জৰিয়তে ৰোগৰ স্থিতি নিৰ্ণয় কৰিব। (য'ত অস্ত্ৰোপচাৰ কৰি এটা ছিদ্ৰৰ মাজেৰে পাতল আৰু খীন টিউব এডাল পেটৰ ভিতৰলৈ সোমোৱাই দিয়া হয়।

এণ্ডমেট্ৰিয়চিছ ৰোগৰ গৱেষণা সন্দৰ্ভত অধিক তথ্য জানিবলৈ তলত উল্লেখ কৰা ঠিকনাত যোগাযোগ কৰিব পাৰিব।

ডাঃ ৰাহুল গাজভিয়ে
বিজ্ঞানী, ৰেলকাম ট্ৰাষ্ট ডি.বি.টি. ইণ্ডিয়া এলায়েন্স
ক্লিনিকেল এণ্ড পাব্লিক হেলথ্ ইণ্টাৰমেডিয়েট ফেল'

ঠিকনা ঃ ডিপাৰ্টমেণ্ট অফ ক্লিনিকেল ৰিচাৰ্চ- নেচনেল ইনচটিটিউট ফ'ৰ ৰিচাৰ্চ ইন ৰিপ্ৰডাকটিভ হেলথ্
জাহাংগীৰ মেৰৱানজি ষ্ট্ৰীট, পাৰেল, মুম্বাই ৪০০০১২

ফোন ঃ +91 22-2419-2000/2166

ই-মেইল ঃ endonirrh@gmail.com

বেবছাইট ঃ www.nirrh.res.in
www.nirrh.res.in/scientist/rahul-gajbhiye/
www.endometriosis.ca/about/ambassador/gajbhiye-rahul/

ফ'ল কৰিব পাৰিব ঃ

https://twitter.com/icmrnirrh

https://www.facebook.com/ICMR-National-Institute-for-Research-in-Reproductive-Health-112408027010239/

আই.চি.এম. আৰ-নেচনেল ইনচটিটিউট ফ'ৰ ৰিচাৰ্চ ইন ৰি প্ৰডাক্টিভ হেলথ্, মুম্বাই
দ্য ৰেলকাম ট্ৰাষ্ট ডি.বি.টি ইণ্ডিয়া এলায়েন্স, এণ্ডমেট্ৰিয়চিছ চচাইটি অফ ইণ্ডিয়া

নাৰীৰ স্বাস্থ্য
এণ্ডমেট্ৰিয়চিছ

গৱেষণা
শিক্ষা
সজাগতা

"নিৰৱে সহ্য নকৰিব"

icmr NIRRH

IndiaAlliance
DBT wellcome

ঋতুচক্ৰ পৰিক্ৰমা

সাধাৰণতে ৮ ৰ পৰা ১৬ বছৰ বয়সৰ ভিতৰত কিশোৰী সকলৰ কন্যাকাল প্ৰাপ্তি হোৱা দেখা যায়। যাক যৌৱন অৱস্থাৰ আৰম্ভণি বুলিও কোৱা হয়। প্ৰতি ২৫ৰ পৰা ৩০ দিনৰ ভিতৰত আৰু গড়ে ২৮ দিনৰ অন্তৰালত মহিলা সকলৰ ঋতুস্ৰাৱ প্ৰক্ৰিয়া চলি থাকে। নাৰীৰ দেহত এই প্ৰক্ৰিয়া কন্যাকাল প্ৰাপ্তিৰ পৰা আৰম্ভ কৰি ৪০ বছৰ বা তাৰ উৰ্ধলৈকে অব্যাহত থাকে। ঋতুচক্ৰ বন্ধ হোৱা পৰিঘটনাক মেনপ'জ নামাৰে জনা যায়।

নাৰীৰ গৰ্ভাশয়ৰ একেবাৰে অন্তভাগত থকা আৱৰণ খনক এণ্ডমেট্ৰিয়াম বুলি কোৱা হয়। গৰ্ভাৱস্থাত এই আৱৰণখনৰ লগত ভ্ৰূণ সংযোজিত হয়। অৱশ্যে সাধাৰণ অৱস্থাত এই এণ্ডমেট্ৰিয়াম আৱৰণখন ভাঙি যায় আৰু তাৰ ফলত স্ত্ৰী অংগৰ জৰিয়তে ৰক্তক্ষৰণ হয়।



এণ্ডমেট্ৰিয়চিছ কি ?

এণ্ডমেট্ৰিয়চিছ এটা নাৰী স্বাস্থ্যজনিত সমস্যা য'ত জৰায়ুৰ অন্ত ভাগৰ আৱৰণখনৰ পেশী সমূহ জৰায়ুৰ বাহিৰৰ বিভিন্ন স্থান যেনে ডিম্ব পৰিবাহী নলী, ডিম্বাশয়,কোষ আৰু অন্যান্য পেশী সমূহত বিকশিত হোৱা পৰিলক্ষিত হয়। তাৰ ওপৰিও ই মূত্ৰাশয়, অন্ত্ৰ আৰু অন্ত্ৰপুচ্ছ লৈকে প্ৰসাৰিত হব পাৰে।

এণ্ডমেট্ৰিয়চিছ হ'লে কি হয় ?

এণ্ডমেট্ৰিয়টিক কোষ সমূহ জৰায়ুৰ বাহিৰ অংশত বিকশিত হয় আৰু প্ৰতিমাহে ঋতুস্ৰাৱ হোৱাৰ সময়ত ই নিসৰিত হয়। দেহৰ বাহিৰলৈ ওলাই আহিবলৈ এই কোষ সমূহৰ কোনো নিৰ্দিষ্ট পথ নাথাকে। গতিকে কোষসমূহ জৰায়ুৰ আশে পাশে জমা হবলৈ আৰম্ভ কৰি নিকটৱৰ্তী কোষসমূহক ইটো সিটোৰ সৈতে সংযোজিত কৰি তোলে। যাৰ ফলত শ্ৰোণী অংশৰ অধিকাংশ অংগৰ ক্ষতি সাধন হয়।

এণ্ডমেট্ৰিয়চিছ ৰোগ কিমান শতাংশ মহিলাৰ হোৱা দেখা যায়?

যিকোনো জনসংখ্যাৰ প্ৰতি ১০% প্ৰজননক্ষম মহিলাৰ মাজত এই ৰোগবিধে প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়।

লক্ষণ সমূহ

এণ্ডমেট্ৰিয়চিছৰ কাৰণ সমূহ

এণ্ডমেট্ৰিয়চিছ ৰোগৰ প্ৰকৃত কাৰণ সমূহৰ বিষয়ে অধ্যয়ণ কৰি থকা হৈছে যদিও বৰ্তমানলৈকে ইয়াৰ কাৰণ সমূহ জানিব পৰা হোৱা নাই। তলত কেইটামান সম্ভাব্য কাৰণ উল্লেখ কৰা হৈছে–

- প্ৰজনন আৰু ঋতুস্ৰাৱ সম্পৰ্কীয় কাৰক
- আণুবংশিক, পৰিয়ালৰ কোনো ব্যক্তিৰ যদি এই ৰোগৰ লগত সম্পৰ্কীত
- পৰিৱেশ
- ৰোগ প্ৰতিৰোধৰ অক্ষমতা

ৰোগ নিৰ্ণয়কৰণ

কোনো সাধাৰণ তেজ পৰীক্ষাৰ দ্বাৰা এই ৰোগৰ স্থিতি নিৰ্ণয় কৰিব নোৱাৰি। হিষ্টলজিকেল পৰীক্ষাৰ লগত লেপাৰস্কপি চাজাৰী হৈছে এণ্ডমেট্ৰিয়চিছ ৰোগ নিৰ্ণয়কৰণৰ একমাত্ৰ উপায়।

এণ্ডমেট্ৰিয়চিছৰ ব্যৱস্থাপনা

এইৰোগৰ কোনো স্থায়ী চিকিৎসা বা সমাধান নাই যদিও শল্যচিকিৎসা বা ঔষধৰ দ্বাৰা ৰোগী সকলে কিছু পৰিমাণে লক্ষণ সমূহৰ পৰা উপসম পাব পাৰে

- বেদনা নাশক ঔষধ
- গৰ্ভনিৰোধক ঔষধ / হৰ'মণ
- লেপাৰস্কপি

যেনেকৈয়ে নহওক, প্ৰতি ৫ গৰাকী মহিলাৰ ভিতৰত এগৰাকীৰ এই ৰোগৰ লক্ষণ সমূহ পুনৰাবৃত্তি হোৱা দেখা যায়।